No. of Printed Pages—2

43N (ASS)

[21 HRKP1S(N)–22A]

MA 1st Semester (New) Exam., 2021 (W)

ASSAMESE

(অসমীয়া সংস্কৃতি)

[PGAS S1 04]

Full Marks : 70/80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Note : *(a)* Learners admitted in 2020 and 2021 are to answer *70* Marks (Question Nos. **1** to **4**).

(b) Learners admitted in and before 2019 are to answer all the questions (Question Nos. **1** to **5**), i.e., for *80* Marks.

1. তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো **পাঁচটাৰ** উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৫০ শব্দৰ ভিতৰত) : 2×5=10

(a) 'Culture' শব্দৰ ব্যুৎপত্তিগত অৰ্থ লিখক।

(b) 'টেৰাকোটা' কি? লিখক।

(c) সত্ৰ সম্প্ৰদায়ৰ অন্তৰ্গত 'কালসংহতি'ৰ বিষয়ে লিখক।

(d) 'বাৱে চহৰীয়া ভাওনা'ৰ বিষয়ে কি জানে, লিখক।

(e) সংস্কৃতিৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য দুটামানৰ বিষয়ে লিখক।

(f) অসমৰ পৰম্পৰাগত বাদ্যযন্ত্ৰসমূহৰ ভাগকেইটা লিখক।

2. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ১০০ শব্দৰ ভিতৰত) : 3×4=12

(a) সংস্কৃতিৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

(b) 'অসম' নামৰ উৎপত্তি সম্পৰ্কে থকা মতসমূহ উল্লেখ কৰি এটি টোকা যুগুত কৰক।

(c) 'কুশানগান বা ভাৰীগান'—যি কোনো এবিধ লোক-পৰিৱেশ্য কলাৰ বিষয়ে এটি পৰিচয়মূলক আলোচনা দাঙি ধৰক।

(d) প্ৰাচীন অসমত শৈৱ ধৰ্মৰ পৰম্পৰা সম্পৰ্কে চমুকৈ লিখক।

(e) 'হস্তীবিদ্যাৰ্ণৱ' পুথিখনৰ বিষয়ে কি জানে, চমুকৈ লিখক।

3. তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২০০ শব্দৰ ভিতৰত) : 6×4=24

(a) লোকজীৱন বুলিলে কি বুজে? অসমৰ লোকজীৱনৰ চমু আভাস দাঙি ধৰি এটি আলোচনা যুগুত কৰক।

(b) অসমীয়া লোকসংস্কৃতিলৈ অষ্ট্ৰিকসকলৰ ভাষিক অৱদান সম্পৰ্কে উদাহৰণসহ আলোচনা কৰক।

(c) আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য কলাৰ বিষয়ে এটি চমু নিবন্ধ লিখক।

(d) নৱবৈষ্ণৱ ধৰ্ম কাক বোলে? ইয়াৰ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰক।

(e) 'বিশ্বায়ন আৰু অসমীয়া সংস্কৃতি' শীৰ্ষক তথ্যপূৰ্ণ নিবন্ধ যুগুত কৰক।

4. তলৰ যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : 8×3=24

(a) লোকসংস্কৃতি কাক বোলে? লোকসংস্কৃতিৰ প্ৰধান ভাগ চাৰিটা উল্লেখ কৰি প্ৰতিটো ভাগৰ বিষয়ে বিশদভাৱে আলোচনা কৰক।

(b) অসমত বসবাস কৰা তিব্বত-বৰ্মীয় ভাষিক গোষ্ঠীসমূহৰ চমু পৰিচয় দাঙি ধৰি এখন ৰচনা লিখক।

(c) অসমীয়া ভাষা-সাহিত্যলৈ মুছলমানসকলৰ অৱদান সম্পৰ্কে এটি তথ্যপূৰ্ণ আলোচনা আগবঢ়াওক।

(d) বিশ্বায়নে অসমীয়া সংস্কৃতিত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিছে, আপোনাৰ নিজস্ব দৃষ্টিভংগীৰে এটি প্ৰবন্ধ লিখক।

The following question is *NOT* for the learners admitted in 2020 and 2021 batches :

5. তলৰ যি কোনো **এটা** প্ৰশ্নৰ উত্তৰ লিখক (প্ৰায় ৩০০ শব্দৰ ভিতৰত) : 10

(a) সত্ৰৰ পৰিচয় দি, ইয়াৰ গঠন-প্ৰণালী আৰু শ্ৰেণী-বিভাজন লিখক।

(b) প্ৰাক্-আহোম যুগৰ স্থাপত্য আৰু ভাস্কৰ্য সম্পৰ্কে নিবন্ধ লিখক।

★★★